**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-06-2026
**Time :** 1910 PM.

ASSAMESE EVENING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

০০০০০

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই বিমানৰ ইন্ধন মূল্য সুস্থিৰ কৰাত সহায় আগবঢ়োৱাৰ বাবে তেল বিপণন কোম্পানীসমূহক ১০ হাজাৰ কোটি টকাৰ এককালীন বাজেট সমৰ্থন আগবঢ়োৱাত অনুমোদন জনাইছে।

২। উত্তৰ-পূৰ্ব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন কাইলৈ মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব।

৩। কৰ্ণাটকৰ কংগ্ৰেছ দলৰ বিধায়িনী নেতা ডি কে শিৱকুমাৰে আজি ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৪। দিল্লীৰ মালবিয়া নগৰত আজি পুৱা সংঘটিত অগ্নিকাণ্ডত ২১জন লোকে প্ৰাণ হেৰুৱায়।

*আৰু*

৫। ইণ্ডোনেছিয়া অ'পেন ছুপাৰ থাউজেণ্ডত ভাৰতৰ আয়ুশ্ব চেট্টীয়ে চীনৰ য়েং হোং য়াঙক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ভাৰতীয় বিমান সংস্থাসমূহক বিমানৰ ইন্ধন মূল্য সুস্থিৰ কৰাত সহায় আগবঢ়োৱাৰ বাবে তেল বিপণন কোম্পানীসমূহক ১০ হাজাৰ কোটি টকাৰ এককালীন বাজেট সমৰ্থন আগবঢ়োৱাত অনুমোদন জনাইছে। পশ্চিম এছিয়া সংকটৰ ফলত সৃষ্টি হোৱা ইন্ধনৰ অত্যাধিক মূল্যবৃদ্ধিৰ সময়ত ভাৰতীয় বিমান সংস্থাসমূহক তেওঁলোকৰ ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় উৰণ অব্যাহত ৰখাৰ ক্ষেত্ৰত ইন্ধনৰ মূল্য সুস্থিৰ কৰাৰ বাবে তেল বিপণন কোম্পানীসমূহলৈ এই সহায় আগবঢ়োৱা হ'ব। নতুন দিল্লীত আজি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই সিদ্ধান্তই অসামৰিক বিমান পৰিবহনৰ সৈতে জড়িত ৭৭ লাখ কৰ্মচাৰীক নিৰপত্তা দিব।

০০০০০

উত্তৰ-পূৰ্ব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন কাইলৈ মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ পূৰ্ব পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীয়ে লাভ কৰা অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাথনি আৰু যোগাযোগ তথা হস্ততাঁত আৰু হস্তশিল্প সন্দৰ্ভত উপস্থাপন কৰা হ'ব।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে আজি মিজোৰামৰ কলাশিৰ জিলাত কেইবাটাও চৰকাৰী প্ৰতিষ্ঠান আৰু উন্নয়নমূলক প্ৰকল্প পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ছাইৰাণৰ আঞ্চলিক ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ, পি এম শ্ৰী চৰকাৰী আদৰ্শ প্ৰাথমিক বিদ্যালয়, ডিয়াক্কৱান হাইস্কুল, অড্ৰিন স্কীজ্‌ম্ শিশু গৃহ আৰু এটা অংগনবাড়ী কেন্দ্ৰ ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে চলি থকা কল্যাণকামী কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰা সময়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অন্যান্য কৰ্মচাৰী, শিশু আৰু অভিভাৱকসকলৰ সৈতেও মত-বিনিময় কৰে। ড০ মুৰুগানে লগতে দীৰ্ঘস্থায়ী কৃষি কাৰ্য আৰু ৰাসায়নিক সাৰমুক্ত কৃষি কৰ্মক উদগণি যোগোৱাৰ উদ্দেশ্যে আইকাৰৰ অধীনত **খেৰ বচাও অভিযান** মুকলি কৰে। কৃষক আৰু কৃষি বিভাগৰ বিষয়াসকলক সম্বোধন কৰি তেওঁ শস্যৰ গুণগত মান আৰু উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে বতৰৰ ওপৰত ভিত্তি কৰি মিজোৰামত কৃষিকৰ্মৰ বাবে কৃষি পৰামৰ্শাৱলী আৰু সফলতাৰ কাহিনী শীৰ্ষক পুস্তিকা মুকলি কৰে।

০০০০০

কৰ্ণাটকৰ কংগ্ৰেছ দলৰ বিধায়িনী নেতা ডি কে শিৱকুমাৰে আজি ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। বেংগালুৰুত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল থাৱৰচান্দ গেহলটে মুখ্যমন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। কৰ্ণাটকৰ প্ৰাক্তন গৃহমন্ত্ৰী ড০ জি পৰমেশ্বৰে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। অন্য ১২ গৰাকী বিধায়কেও আজি মন্ত্ৰী হিচাপে শপত লয়। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধী, দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল আৰু ৰণদীপ সিং সূৰ্যেৱালা, আধ্যাত্মিক নেতা, লেখক, অভিনেতা আৰু বিশিষ্ট উদ্যোগীসকল এই অনুষ্ঠানত উপস্থিত থাকে। জনসাধাৰণে শপতগ্ৰহণ অনুষ্ঠান প্ৰত্যক্ষ কৰিব পৰাকৈ মহানগৰীৰ ঠায়ে ঠায়ে এল ই ডি স্ক্ৰীন লগোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে ডি কে শিৱকুমাৰক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে অনাগত কাৰ্যকালৰ বাবে তেওঁক শুভেচ্ছা জনায়। জনসাধাৰণৰ কল্যাণৰ হকে কৰ্ণাটক চৰকাৰৰ সৈতে কেন্দ্ৰই ঘনিষ্ঠভাৱে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

দিল্লীৰ মালভিয়া নগৰৰ এখন হোটেলত আজি পুৱা সংঘটিত হোৱাৰ অগ্নিকাণ্ডৰ ফলত ২১ জন লোকে প্ৰাণ হেৰুৱাই আৰু ৪০ জন লোকক উদ্ধাৰ কৰা হয়। দক্ষিণ দিল্লীৰ উপ আৰক্ষী আয়ুক্ত, অনন্ত মিত্তলে কয় যে ৮টা অগ্নিনিৰ্বাপক বাহিনীৰ সহায়ত জুই সফলভাৱে নিৰ্বাপিত কৰা হয়। তেওঁ কয় যে আৰক্ষী, অগ্নিনিৰ্বাপক সেৱা, আৰু অন্যান্য জৰুৰীকালীন সেৱাৰ সমন্বিত প্ৰচেষ্টাত ৪০ জনতকৈ অধিক লোক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অগ্নিকাণ্ডত প্ৰাণ হেৰুৱা শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে কৰ্তৃপক্ষই ক্ষতিগ্ৰস্তসকলক সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰী

মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা মৃতকৰ নিকটাত্মীয়ক দুইলাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে লগতে আহতসকলক ৫০ হাজাৰ টকাৰ সাহায্য দিয়া হ'ব বুলি ঘোষণা কৰে

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অগ্নিকাণ্ডৰ ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অগ্নিকাণ্ডৰ ঘটনাত প্ৰাণ হেৰুৱাৰ খবৰটো অত্যন্ত হৃদয়বিদাৰক। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনায়।

আনহাতে,উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণননে আহত সকলৰ মংগল আৰু আশু আৰোগ্যৰ প্ৰাৰ্থনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালৰ লোকসকলৰ এই শোকৰ সময়ত শক্তি আৰু সাহসৰ কামনা কৰে।

ইফালে গৃহমন্ত্ৰীগৰাকীয়ে স্থানীয় প্ৰশাসনে সাহায্য আৰু উদ্ধাৰ অভিযানত সক্ৰিয়ভাৱে নিয়োজিত হৈ আছে বুলি অৱগত কৰে। তেওঁ লগতে কয় যে আহতসকলক উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। শ্ৰী শ্বাহে সকলো আহতসকলৰ দ্ৰুত আৰোগ্যৰ বাবেও প্ৰাৰ্থনা কৰে আৰু নিহতসকলৰ শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাইও এই ঘটনাত শোক প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইয়ে প্ৰকাশ কৰা মতে প্ৰায় ৪০ হাজাৰ শিক্ষাৰ্থীয়ে পুনৰ মূল্যায়নৰ আবেদন সফলতাৰে দাখিল কৰিছে আৰু কোনোধৰণৰ অসুবিধা অবিহনে আবেদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। চি বি এছ্ ইয়ে কালি ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীৰ স্কেনড কপি পুনৰ মূল্যায়নৰ বাবে লাইভ প'ৰ্টেল মুকলি কৰে। অহা ৬ জুন পৰ্যন্ত এই প'ৰ্টেল মুকলি থাকিব বুলি চি বি এছ্ ইয়ে প্ৰকাশ কৰিছে। বোৰ্ডে এটা বিবৃতি যোগে কয়, যে উত্তৰ বহীৰ স্কেনড কপি লাভ কৰা শিক্ষাৰ্থীসকলেহে এই সুবিধা লাভ কৰিব। সুৰক্ষাজনিত কাৰণত আধাৰ প্ৰত্যায়িতকৰণ ব্যৱস্থাও এই সুবিধাত সংলগ্ন কৰা হৈছে। আধাৰ নম্বৰ নথকা শিক্ষাৰ্থীসকলে পিতৃ-মাতৃ, অভিভাৱক বা অন্য নিকতাত্মীয়ৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰিব পাৰিব। চি বি এছ্ ইৰ সূত্ৰই প্ৰকাশ কৰা মতে প্ৰতিখন উত্তৰ বহী মূল্যায়নৰ বাবদ ছাত্ৰ-ছাত্ৰীয়ে ১০০ টকাকৈ আৰু প্ৰতিটো প্ৰশ্নৰ মূল্যায়ণৰ বাবদ ২৫ টকাকৈ আদায় দিব লাগিব। এই মাচুল অনলাইন পদ্ধতি অৰ্থাৎ ইউ পি আই, ক্ৰেডিট কাৰ্ড, ডেবিড কাৰ্ড অথবা নেট বেংকিং ব্যৱস্থাৰে দিব পাৰিব। ইয়াৰ বাবে চি বি এছ্ ইয়ে মুকলি কৰা ভিডিঅ' চাই এই ব্যৱস্থা সম্পৰ্কে সবিশেষ অৱগত হ'বলৈ আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে, ব'ৰ্ড পৰীক্ষাৰ নম্বৰত অসন্তুষ্ট ছাত্ৰ-ছাত্ৰীক উত্তৰ বহী পুনৰ পৰীক্ষা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে কৰ্তৃপক্ষই যোৱা ২৬ মে'ত অনলাইন প'ৰ্টেল লাইভ হ'ব বুলি ঘোষণা কৰিছিল যদিও কাৰিকৰী বিজুতীৰ বাবে ১ জুনলৈ এই সময় বৃদ্ধি কৰা হৈছিল। অৱশ্যে কালি অনলাইন প'ৰ্টেলটো মুকলি কৰিব পৰা নগ'ল।

ooooo

অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত অহা ৫ জুনৰ পৰা দুদিনীয়াকৈ মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ সহযোগত সাগৰীয় খাদ্য ৰপ্তানি বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰিছে। অন্ধ্ৰ প্ৰদেশ চৰকাৰৰ সহযোগত আয়োজন কৰা এই কৰ্মশালাৰ লক্ষ্য হৈছে ৰাজ্যখনৰ লগতে অংশীদাৰসকলৰ মাজত ভাৰতৰ সাগৰীয় খাদ্য ৰপ্তানিৰ পৰিবেশতন্ত্ৰ শক্তিশালী কৰি তোলাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল, মীন, পশুপালন তথা দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰপ্তানি ব্যৱস্থাত ষ্টাৰ্ট আপ আৰু এম এছ এম ইৰ অন্তৰ্ভুক্তিৰে সাগৰীয় খাদ্যৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতৰ সামগ্ৰিক প্ৰতিযোগিতা শক্তিশালী কৰি তোলাৰ বাবে কৰ্মশালাই প্ৰয়াস চলাব। দেশৰ সাগৰীয় খাদ্য ৰপ্তানিৰ দিশটোৰ উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ জৰিয়তে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ আগবঢ়োৱা হৈছে বুলি আশা কৰা হৈছে। এই কৰ্মশালাই অংশীদাৰসকলৰ সামৰ্থ্য বৃদ্ধিৰ লগতে উৎকৃষ্ট অনুশীলন আৰু ৰপ্তানিৰ বাবে সামগ্ৰিকভাৱে প্ৰস্তুত কৰি তোলাৰ উদ্দেশ্যে বিশেষ সহায়-সমৰ্থন আগবঢ়াব।

০০০০০

ইণ্ডোনেছিয়া অ'পেন ছুপাৰ থাউজেণ্ডত ভাৰতৰ আয়ুশ্ব চেট্টীয়ে চীনৰ য়েং হোং য়াঙক ৮-২১, ২২-২০, ২১-১৫ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। আনহাতে, মিক্সড ডাবলছ্‌ত ভাৰতৰ ৰোহণ কাপুৰ আৰু ৰুথৱিকা গাড্ডেই চীনৰ টাইপেইৰ য়াং পো হুয়ান আৰু হু লীং ফাঙক ২১-১৪, ২১-১৪ পোনপটীয়া ছেটত পৰাস্ত কৰি উল্লেখযোগ্য জয়লাভ কৰে।

ইফালে, পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত সাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টী যুটীটো মালয়েছিয়াৰ খেলুৱৈৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱা খেলখনত আঘাতপ্ৰাপ্ত হোৱাৰ বাবে অৱসৰ লয়। ইপিনে, আজি সন্ধিয়া মহিলাৰ একক ইভেণ্টত ভাৰতৰ উন্নতি হুদাই জাপানৰ প্ৰাক্তন বিশ্ব চেম্পিয়ন ন'জমী অ'কোহাৰাৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত